

# অসম মিলেট মিছন

অধিক তথ্যৰ বাবে যোগাযোগ কৰকঃ

ৰাজ্যিক প্ৰকল্প ব্যৱস্থাপনা কেন্দ্ৰ, অসম মিলেট মিছন,
কৃষি সঞ্চালকালয়, খানাপাৰা, গুৱাহাটী-২২
Email: amm.spmu@gmail.com
Toll free no: +91 18001020338

অসম চৰকাৰ
কৃষি বিভাগ

Azadi Ka Amrit Mahotsav

INTERNATIONAL YEAR OF MILLETS 2023

APART



# অসম মিলেট মিছন

## ক্ষুদ্ৰ মিলেটৰ বাবে বৃহৎ অভিযান

বৰ্তমান ভাৰতত **'শ্ৰীঅন্ন'** হিচাপে অভিহিত তথা একবিংশ শতিকাৰ সৰ্বোত্তম খাদ্যশস্যবোৰৰ ভিতৰত অন্যতম মিলেট, বহুদিনৰ আগতে অসমীয়া খাদ্যাভ্যাসৰ অবিচ্ছেদ্য অংশ আছিল।

সময়ৰ লগে লগে মানুহে অন্য শস্যবোৰৰ ওপৰত অধিক গুৰুত্ব দিবলৈ লোৱাত এই সোণালী শস্যবিধৰ দৈনন্দিন ব্যৱহাৰ হ্ৰাস পাই আহিল।

এই মিলেটৰ গুৰুত্ব পুনৰ প্ৰচলন কৰিবৰ বাবে অহা ৭ বছৰৰ বাবে (২০২২-২০২৯) **অসম মিলেট মিছনৰ** ৰূপায়ণ আৰম্ভ কৰা হয়। ২০২২ চনৰ ১৬ নৱেম্বৰ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাদেৱে শুভাৰম্ভ কৰা এই অভিযানৰ লক্ষ্যসমূহ হ'লঃ

- মানৱ দেহৰ পৰিপুষ্টিত অৰিহণা যোগোৱা
- কৃষকৰ আয় বৃদ্ধি
- মিলেট শস্যৰ উৎপাদন বৃদ্ধি
- শস্যৰ ভিন্নতা বৃদ্ধিত অৰিহণা

মিলেটৰ স্থানীয় উৎপাদন আৰু খাদ্য হিচাপে স্থানীয়ভাৱে গ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্যৰে এই অভিযান আৰম্ভ কৰা হৈছে।

**মুখ্য শস্যঃ** অসমত প্ৰসাৰ কৰা মিলেট তিনিবিধ হ'ল মৰুৱা ধান (ফিংগাৰ মিলেট), কাউন (ফক্সটেইল মিলেট) আৰু চীনা ধান (প্ৰচ’ মিলেট)

**জিলাসমূহ:** সদ্যহতে এই অভিযানে সামৰি লোৱা জিলা ১৫ খন হ'ল বাক্সা, বৰপেটা, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, গোলাঘাট, যোৰহাট, কামৰূপ (গ্ৰাম্য), কাৰ্বি আংলং, কোকৰাঝাৰ, মৰিগাঁও, নগাঁও, শোণিতপুৰ, তিনিচুকীয়া আৰু ওদালগুৰি।

**বিভাগসমূহ:** মূলতঃ অসম মিলেট মিছন আৰম্ভ কৰা হৈছে কৃষি বিভাগৰ উদ্যোগত, য'ত সহযোগ কৰিছে প্ৰাথমিক শিক্ষা বিভাগ আৰু সমাজ কল্যাণ বিভাগে।

**হিতাধিকাৰীঃ** উৎপাদন, শস্য চপোৱাৰ পৰৱৰ্তী পৰ্যায়ৰ আৰু বিপণন কাৰ্যকলাপেৰে কৃষক, কৃষক উৎপাদক গোট (এফ. পি. চি.), উদ্যোগীসকল তথা আত্মসহায়ক গোটসমূহক উপকৃত কৰা হ'ব, লগতে ৰাজ্যৰ পৰিপুষ্টি কাৰ্য্যক্ৰমত মিলেট অন্তৰ্ভুক্ত কৰি গৰ্ভৱতী মহিলা, স্তনপান কৰোৱা মাতৃ, শিশু আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ পুষ্টি বৃদ্ধি কৰা হ'ব।

**মিছনৰ উপাদানবোৰঃ** অসম মিলেট মিছনৰ কাৰ্যকলাপবোৰৰ ক্ষেত্ৰত ৫টা মুখ্য উপাদান আছে(ক-ঙ), যাৰ ভিতৰত প্ৰথম তিনিটা উপাদান(ক,খ,গ) স্থানীয় উৎপাদন সম্বন্ধীয়; এটা উপাদান (ঘ) হৈছে স্থানীয়ভাৱে গ্ৰহণ সম্বন্ধীয় আৰু এটা উপাদান (ঙ) হৈছে অসম মিলেট মিছনৰ সামগ্ৰিক প্ৰশাসনীয় আৰু কাৰ্যকৰী প্ৰক্ৰিয়াবোৰৰ সম্বন্ধীয়।

**অসম মিলেট মিছনৰ বাবে বাছনি কৰা অসমৰ জিলাসমূহ**




## অসম মিলেট মিছন (২০২২-২৯)

### স্থানীয় উৎপাদন সম্বন্ধীয় উপাদানবোৰ

**ক) বজাৰ আৰু পুষ্টিৰ সহায়ক উৎপাদন**
- প্ৰযুক্তিৰ প্ৰদৰ্শন
- মিনিকিট বিতৰণ
- বীজ উৎপাদন আৰু বিতৰণ
- কৃষি যন্ত্ৰপাতি (উৎপাদনৰ লগত জড়িত)
- মাহজাতীয় শস্যৰ সৈতে কৃষি প্ৰণালীৰ প্ৰদৰ্শন

**(খ) শস্য চপোৱাৰ পৰৱৰ্তী পৰ্যায়ৰ ব্যৱস্থাপনা, মূল্য সংযোজন, সংসাধন আৰু মিলেটৰ ৰন্ধন প্ৰকৰণ**
- শস্য চপোৱাৰ পৰৱৰ্তী প্ৰদৰ্শন
- শস্য চপোৱাৰ পৰৱৰ্তী সঁজুলি
- স্থায়ী সংৰক্ষণ সুবিধা
- সংৰক্ষণ পাত্ৰ (৬০% সাহাৰ্য্য)
- মিলেটৰ পৰা সামগ্ৰী আৰু ৰন্ধন প্ৰকৰণৰ বিকাশ

**গ) বজাৰ সংযোগ**
- মিলেট ভিত্তিক কৃষি উৎপাদক সংস্থা (এফ. পি. চি.)
- এফ. পি. চি.ৰ অধীনত সামূহিক সুবিধা কেন্দ্ৰ (চি. এচ. চি.)
- মিলেট ভিত্তিক সামগ্ৰীৰ ক্ৰেতা-বিক্ৰেতাৰ মিলন
- মূল্য শৃংখল বিদ্যালয়
- মিলেট ভিত্তিক সামগ্ৰীৰ প্ৰদৰ্শনী

### স্থানীয়ভাৱে গ্ৰহণ সম্বন্ধীয় উপাদানবোৰ

**ঘ) মিলেটৰ জৰিয়তে উন্নত পুষ্টি, সুস্থ আৰু ৰোগমুক্ত অসম নিশ্চিত কৰা**
- মিলেটৰ সজাগতা বৃদ্ধি: ভ্ৰাম্যমাণ দোকান আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সহায়ত মিলেটৰ যোগান আৰু বিতৰণ
- বিদ্যালয়ত মিলেটৰ সজাগতা বৃদ্ধি: মধ্যাহ্ন ভোজন আঁচনিত মিলেটৰ যোগান আৰু বিতৰণ
- অংগনবাড়ী কেন্দ্ৰত মিলেট: মিলেটৰ পুষ্টি শিবিৰত মিলেটৰ যোগান আৰু বিতৰণ

### সামগ্ৰিক প্ৰশাসনীয় আৰু কাৰ্যকৰী প্ৰক্ৰিয়া সম্বন্ধীয় উপাদান

**ঙ) প্ৰশাসন, পৰিচালনা, প্ৰশিক্ষণ আৰু সামৰ্থ্য বিকাশ**

- ৩টা সঞ্চালকালয়ত মিলেট মিছন গোট স্থাপন কৰা
- কৃষি সঞ্চালকালয়ত মিলেট মিছন গোট
- প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত মিলেট মিছন গোট
- সমাজ কল্যাণ সঞ্চালকালয়ত মিলেট মিছন গোট
- ৰাজ্যিক প্ৰকল্প ব্যৱস্থাপনা কেন্দ্ৰ স্থাপন কৰা
- ১৫টা জিলা পৰ্যায়ৰ মিলেট কোষ গঠন কৰা
- প্ৰশিক্ষণ আৰু শিক্ষামূলক ভ্ৰমণ
- মিলেট আৰু মাহজাতীয় শস্যৰ ব্যৱসায়িক সন্মিলন
- মিলেট জ্ঞান কোষ



**মিলেটৰ প্ৰসাৰৰ লগত জড়িত অন্য সংস্থাবোৰ হৈছে :**

নাবাৰ্ড, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান, ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান, ট্ৰাইচাম আদি